BU/EX/PG/SEM-3/3.01

**2018**

**ASSAMESE**

**ASM : 3.01**

**ASSAMESE SHORT STORY & BIOGRAPHICAL WRITINGS**

Full Mark : 80

Time : 3 Hours

***The figures in the margin indicates full marks for the questions :***

1. উত্তৰ লিখা ঃ 1x10=10

ক) প্ৰথম অসমীয়া চুটি গল্পটো কোনখন কাকতত প্ৰকাশ পাইছিল?

খ) বাঁহীৰ জৰিয়তে আত্মপ্ৰকাশ কৰা এগৰাকী গল্পকাৰৰ নাম লিখা

গ) নগেন্দ্ৰনাৰায়ণ চৌধুৰী কোন যুগৰ গল্পকাৰ?

ঘ) 'আঘোণী বাই' কাৰ ৰচনা?

ঙ) কোনগৰাকী ঔপন্যাসিকে 'কলং আজিও বয়' শীৰ্ষক গল্পপুথিখন ৰচনা কৰিছে?

চ) কোনগৰাকী অসমীয়া গল্পকাৰে গৌৰৱময় 'পদ্মশ্ৰী' সন্মান প্ৰত্যাখ্যান কৰে?

ছ) আধুনিক অসমীয়া জীৱনীৰ পথিকৃৎ কোন?

জ) 'পদ্মনাথ গোহাঞিবৰুৱা' শীৰ্ষক জীৱনীখন কাৰ ৰচনা?

ঝ) আত্মজীৱনীৰ কিমানবিধ প্ৰকাৰ আছে?

ঞ) 'জীৱন জীৱন বৰ অনুপম' আত্মজীৱনীখন প্ৰথমে কোনখন আলোচনীত ছোৱা ছোৱাকৈ প্ৰকাশিত হৈছিল?

2. চমু উত্তৰ লিখা ঃ 2x5=10

ক) মামনি ৰয়ছম গোস্বামীৰ দুখন অনুদিত গল্পপুথিৰ নাম লিখা।

খ) নাৰী মনস্তত্ত্ব সম্পৰ্কে গল্প লিখি জনপ্ৰিয়তা অৰ্জন কৰা আবাহন যুগৰ দুগৰাকী গল্পকাৰৰ নাম লিখা।

গ) ৰামধেনু যুগৰ গল্পৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা ।

ঘ) 'আত্মজীৱনী'ৰ ইংৰাজী পৰিভাষা কি? কোনে পোন প্ৰথমে ইয়াক ব্যৱহাৰ কৰে?

ঙ) লক্ষ্মীনাথ বেজবৰুৱাৰ আত্মজীৱনীখনৰ নাম কি? কোনচনত এইখন প্ৰকাশ হয়?

3. চমু টোকা লিখা ঃ (যিকোনো দুটা) 2x5=10

ক) ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'চুটিগল্প'ৰ সংজ্ঞা

খ) জীৱন জীৱন বৰ অনুপম

গ) কলিকতাত আনন্দৰাম বৰুৱাৰ জীৱন

ঘ) 'সমীৰণ বৰুৱা আহি আছে' ৰ কথাবস্তু

4. "লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পতে পোনপ্ৰথমবাৰৰ বাবে ফ্ৰয়ডীয় মনস্তত্ত্বৰ প্ৰতিফলন দেখা যায়"

কথাষাৰৰ আধাৰত বেজবৰুৱাৰ দ্বাৰা ৰচিত যিকোনো এটা গল্পত ফ্ৰয়ডীয় মনস্তত্ত্বৰ প্ৰভাৱ কিদৰে পৰিছে বুজাই লিখা। 7

*অথবা*

'এহাত ডাবা' গল্পত আধুনিকতাবাদৰ কি কি লক্ষণ দেখা যায় উদাহৰণসহ বুজাই লিখা। 7



5. জীৱনীৰ সংজ্ঞা দিয়া। জীৱনীক কি কি ভাগত ভগাব পাৰি চমুকৈ বুজাই লিখা 3 +4=7

*অথবা*

"অসমীয়া চুটিগল্পৰ উদ্ভৱ আৰু ক্ৰমবিকাশৰ গুৰিত ঊনবিংশ শতিকাৰ ৰাজনৈতিক ঘটনাৱলীয়ে বিশেষভাৱে আগভাগ লৈছিল।"— কথাষাৰৰ আধাৰত অসমীয়া চুটিগল্প ৰচনাৰ ৰাজনৈতিক পৃষ্ঠভূমি সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা। 7

তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা ঃ

6. মামনি ৰয়ছম গোস্বামীৰ 'সংস্কাৰ' গল্পটোৰ মূল চৰিত্ৰ দুটা বিশ্লেষণ কৰা আৰু তথাকথিত সংস্কাৰে চৰিত্ৰ দুটাক কিদৰে বিপৰ্যস্ত কৰি তুলিছে তোমাৰ ভাষাত বুজাই লিখা। 8 +4=12

7. 'আবাহনৰ গল্প'— এই শিতানত সকলো দিশ সামৰি এটা চিন্তাকৰ্ষক প্ৰবন্ধ যুগুত কৰা। 12

8. পাঠ্যস্থিত সূৰ্য কুমাৰ ভূঞাৰ 'আনন্দৰাম বৰুৱা' শীৰ্ষক জীৱনীখনৰ আধাৰত আনন্দৰাম বৰুৱাৰ জীৱন আৰু কৃতি সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা ।

9. 'আত্মজীৱনী' কাক বোলে? আত্মজীৱনীৰ যিকোনো চাৰিটা বৈশিষ্ট্য বিশ্লেষণ কৰি দেখুওৱা। 3 +9=12

10. প্ৰকৃতিৰ সংস্পৰ্শত প্ৰেমৰ মহত্ত্ব প্ৰকাশ পাঠ্যস্থিত 'হামদৈ পুলৰ জোন' গল্পটোত কিদৰে ঘটিছে বুজাই লিখা। 12

****